# ECHO OF HIS CALL

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ASSAMESE

India's National Spiritual Newspaper

₹ 10/-

REACHING NATIONS

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIV | JANUARY 2024 | No. 07


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক!

**যিৰিমিয়া ৩১ঃ২৩-২৮**

২৩। ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীবিলাকৰ যিহোৱাই এই কথা কৈছে, মই যেতিয়া এই লোকবিলাকৰ বন্দী অৱস্থা পৰিৱৰ্তন কৰিম, তেতিয়া লোকবিলাকে যিহূদা দেশত আৰু তাৰ নগৰবোৰত পুনৰায় এই কথা ক'ব, হে ধৰ্মনিবাস, হে পৱিত্ৰ পৰ্বত, যিহোৱাই তোমাক আশীৰ্বাদ কৰক।

২৪। যিহূদা আৰু তাৰ সকলো নগৰবোৰে, খেতিয়কবিলাক আৰু ভেড়াৰ জাক লৈ ফুৰোঁতাবিলাকে একেলগে তাত বাস কৰিব।

২৫। কিয়নো মই ভাগৰুৱাৰ প্ৰাণ জুৰালো, আৰু প্ৰত্যেক দুখিত প্ৰাণক পৰিতৃপ্ত কৰিলো।

২৬। ইয়াতে মই সাৰ পাই চালো, আৰু মোৰ নিদ্ৰা মোলৈ সুখদায়ক আছিল।

২৭। যিহোৱাই কৈছে, চোৱা, এনে কোনো দিন আহিছে, যে সেই দিনা মই ইস্ৰায়েল আৰু যিহূদা বংশত মানুহ আৰু পশুস্বৰূপ গুটি বম।

২৮। মই তেওঁবিলাকক উঘালিবলৈ, ভাঙিবলৈ, নিপাত কৰিবলৈ, বিনষ্ট কৰিবলৈ আৰু দুখ দিবলৈ তেওঁবিলাকৰ পক্ষে যেনেকৈ জাগি আছিলোঁ, তেওঁবিলাকক সাজিবলৈ আৰু ৰুবলৈ সেই দৰে তেওঁবিলাকৰ পক্ষে জাগি থাকিম, ইয়াক যিহোৱাই কৈছে।

## মোৰ উত্তম বস্তুৰে তুমি তৃপ্ত হ'বা!

যিহোৱাই ঘোষণা কৰি কৈছে — যিৰিমিয়া ৩১ঃ১৪

**YOU SHALL BE SATISFIED WITH MY GOODNESS! says the Lord - Jeremiah 31:14.**

**যিবিলাকে তেওঁলোকৰ জীৱনত ঘটিব তাক জানিবলৈ এই ২০২৪ বৰ্ষত আগ্ৰহী, ঈশ্বৰে তেওঁৰ এই সন্তানসকলক এই বাৰ্তাৰ মাধ্যমেৰে যোগাযোগ কৰিব। অনুগ্ৰহ কৰি যত্নৰে পঢ়ক!**

*মাননীয় প্ৰধান সম্পাদক ৰেভা. এঞ্জেলীন ছেলভাকুমাৰী।*

*Hon. Editor-in-Chief, Rev. Angeline Selvakumari*



আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ সকলো পৰিয়ালবৰ্গলৈ এটি অতি আনন্দৰ আৰু আশীৰ্বাদপ্ৰাপ্ত নৱবৰ্ষৰ শুভেচ্ছা জনালো!

আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাবিলাকৰ বাবে আপোনালোকৰ ক্ৰমাগত সমৰ্থৰ বাবে ধন্যবাদ জনাওঁ।

ঈশ্বৰে তেওঁৰ সমস্ত মঙ্গলৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ অনুগ্ৰহপূৰ্বক আমাক আৰু এটি বছৰ দিয়াৰ দ্বাৰাই আশীৰ্বাদ কৰিছে। আপোনালোকৰ জ্বলন্ত প্ৰাৰ্থনা আৰু প্ৰেমৰ দানৰ বাবে আমি পৃথিৱীৰ চাৰিওফালে থকা হাজাৰ হাজাৰ লোকসকলক শুভবাৰ্তা দিবলৈ সমৰ্থ হৈছো। আপোনালোকৰ এই সহায়ৰ বাবে আমি চিৰকাল কৃতজ্ঞ হৈ থাকিম। ঈশ্বৰে কেৱল আপোনালোকক আশীৰ্বাদ কৰিব এনে নহয় কিন্তু

৩ পৃষ্ঠাত চাওঁক


ইখ অফ হীজ কল



ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে

প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

প্ৰত্যেক দিনে পুৱা ২ বজাত

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

REACHING NATIONS



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**HON. EDITOR-IN-CHIEF**

Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.

**MANAGING EDITOR**

Pastor Alex Samson Sam, B.Th., M.Div.

**GENERAL MANAGER**

Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM, MBA.

**ADMINISTRATION**

Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)

**EDITORIAL BOARD**

Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Sis. L. Mariya Anjalin, M.A., M.Sc., B.Ed.
Rev. Dr. K.R. Rajasekaran

**EDITOR, PUBLISHER & PRINTER**

Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858 95661 31858

**E.MAIL**

sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**

www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**

Echo of His Call


## তুমি মোৰ মঙ্গলৰ মুকুটেৰে বছৰটো ভূষিত কৰিলা...

গীতমালা ৬৫:১১

প্ৰভুত মোৰ প্ৰিয় ভাই আৰু ভনীসকল,

**আপোনালোকলৈ অনুগ্ৰহ হওক আৰু আপোনালোকৰ শান্তি হওক - ১ পিতৰ ১:২।**



**পালক এলেক্স চামচন চাম**

এই সম্পাদকীয় কমলটি লিখাৰ সুযোগ দিয়াৰ বাবে মই ঈশ্বৰৰ ওচৰত কৃতজ্ঞ। মোক পিতৃ পালক, এচ.চাম ছেলভা ৰাজে যাত্ৰাৰ সৈতে আৰু অন্যান্য পৰিচৰ্যা দায়িত্বৰ সৈতে ব্যস্ত হৈ আছে, গতিকে তেওঁ মোক এই কাৰ্য অৰ্পিত কৰিছে। মই আন্তৰিকভাৱে যোৱা কেইবাটাও দশক ধৰি আমাৰ লগত থকা আপোনালোকৰ প্ৰেম আৰু অংশীদাৰীৰ বাবে প্ৰশংসা কৰো।

২০২৩ বৰ্ষৰ ডিচেম্বৰ মাহত প্ৰভুৰ শুভবাৰ্তা নোপোৱা অনেক লোকৰ মাজত শুভবাৰ্তা দিবলৈ আচৰিত সুযোগৰ সৈতে প্ৰভুৱে আমাক আশীৰ্বাদ কৰিলে। আমাৰ নৱবৰ্ষৰ উপাসনাসমূহ ঈশ্বৰৰ আশীৰ্বাদেৰে পূৰ্ণ হৈ আছিল। আমি বিশ্বাস কৰো যাতে ২০২৪ বৰ্ষটিয়ে আপোনালৈ আৰু আপোনাৰ পৰিয়ালবৰ্গলৈ আৰু অধিক ফলপ্ৰসু আশীৰ্বাদবোৰ কঢ়িয়াই আনিব।

আমি নিয়মিতভাৱে আপোনাৰ বাবে প্ৰাৰ্থনা কৰো আৰু ইংৰাজী, তামিল, হিন্দী আৰু তেলেগু ভাষাত আগৰ ইখ অফ হীজ কল ইউ টিউব চেনেলৰ মাধ্যমেৰে আমাৰ প্ৰতিদিনৰ ভক্তি ভাগ কৰো। তাৰোপৰি, আমি অন্যান্য ভাষাত আমাৰ প্ৰচাৰ বিস্তৃত কৰিবলৈ আকাঙ্খা কৰো। তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহক উন্নতিশীল কৰিবৰ বাবে আপোনাৰ জ্বলন্ত প্ৰাৰ্থনাৰ বাবে অনুৰোধ কৰিছো।



**নহিমিয়া বাইবেল কলেজ চলাওতাসকল**

তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ বাবে আপোনালোকে কৰা প্ৰাৰ্থনা আৰু সহায়ৰ বাবে আপোনালোকক গভীৰভাৱে ধন্যবাদ জনাইছো। এই সম্পৰ্কত আমাৰ নহিমিয়া বাইবেল কলেজৰ বিষয়ে আপোনাক মনত পেলাই দিব বিচাৰো, য'ত বৰ্তমান তামিল আৰু হিন্দীত ভাষাত ক্লাচসমূহ লোৱা হৈ আছে। আমি নৱবৰ্ষত প্ৰৱেশ কৰাৰ লগে লগে আমি কলেজখনক বিস্তাৰ কৰিবলৈ ইংৰাজীকো অন্তৰ্ভুক্ত কৰিবলৈ পৰিকল্পনা কৰিছো। আমি এটা বিষয় ঘোষণা কৰিবলৈ পাই আনন্দিত হৈছো যে সন্মানিত স্বীকৃতি সংস্থা - এচিয়া থিয়ল'জিকেল সংস্থাৰ পৰা আমি স্বীকৃতি পোৱাৰ চূড়ান্ত পৰ্যায়ত আছো। তেওঁলোকৰ পৰা স্বীকৃতি পাবৰ

Our Ministries: ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) YouTube Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

বাবে আমি ইতিমধ্যে নিবন্ধিত সদস্য পদ পাইছো। অনুগ্ৰহ কৰি আমাৰ সকলো সহকৰ্মীসকলৰ বাবে প্ৰাৰ্থনা কৰক কিয়নো তেওঁলোকে কাৰ্যকৰীভাৱে নহিমিয়া বাইবেল কলেজখন পৰিচালনা কৰে আৰু আমাক এটি পৰৱৰ্তী স্তৰত উন্নীত কৰাত সহায় কৰি আছে।

তাৰোপৰি, অনুগ্ৰহ কৰি আমাৰ আটাই পৰিচৰ্যাসমূহৰ প্ৰাৰ্থনা কৰক, যেনে - তেওঁৰ আহবানৰ পৰিচৰ্যাসমূহ ১৬ টা ভাষাত মাহেকীয়া আলোচনী, বিভিন্ন ভাষিক মণ্ডলীসমূহ, বিব্লেকৰ যোগাযোগ পাঠ্যক্ৰম, থিয়ল'জিকেল যোগাযোগ পাঠ্যক্ৰম, চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন, শুভবাৰ্তা ছপাশাল আৰু সহযোগী পৰিচৰ্যাসমূহ।

"যিহোৱাই তোমালোকক আশীৰ্বাদ কৰি ৰাখক ঃ যিহোৱাই তেওঁৰ নিজ পোহৰৰে তোমালোককে উজ্জ্বল কৰি ৰাখক আৰু তোমালোকৰ প্ৰতি দয়ালু হওক, যিহোৱাই তোমালৈ দৃষ্টি কৰক আৰু তোমাক শান্তি দান কৰক" - গণনা ৬ঃ২৪-২৬।

খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক
*Pr. Alex Samson Sam*
*Pr. S. Sam Selva Raj*
(+91) 98412 71858 / 98410 71858,
E.mail : sam@echoofhiscall.org

*১ পৃষ্ঠাৰ পৰা*

আপোনালোকৰ ভৱিষ্যত প্ৰজন্মকো আশীৰ্বাদ কৰিব কিয়নো আপোনালোকে জগতলৈ শুভবাৰ্তা বিস্তাৰ কৰাত নিজৰ সময় খৰছ কৰিছে আৰু চকুলোৰে প্ৰাৰ্থনা কৰি আছে। এইয়ে ঈশ্বৰৰ লোকসকললৈ তেওঁৰ প্ৰতিশ্ৰুতি। আহক এই মহান কাৰ্যক চলাই যাবলৈ যোগদান কৰোহক।

মই প্ৰাৰ্থনা কৰো যাতে এই বৰ্ষত বিশ্বক সঠিক পথত পৰিচালনা কৰিবলৈ প্ৰভু ৰে আপোনালোকৰ ঐশ্বৰিক প্ৰজ্ঞা, জ্ঞান, সুস্বাস্থ্য, শক্তি আৰু শান্তিৰ মন দিব। তাৰোপৰি, তেওঁ তেওঁৰ ধাৰ্মিকতাৰে আপোনালোকক তৃপ্ত কৰক।

বাইবেলে কয় ... মোৰ উত্তম বস্তুৰে তুমি তৃপ্ত হ'বা ... — যিৰিমিয়া ৩১ঃ১৪।

এই বৰ্ষৰ আৰম্ভণীতে ধৰি ৰাখিবলৈ কি যে এটি সুন্দৰ প্ৰতিশ্ৰুতি! মোৰ লোকবিলাকে উত্তম বস্তুৰে "তৃপ্ত" হ'ব। অৰ্থাৎ মই অসন্তুষ্ট নহ'ম বা অভাৱত নপৰিম। এই বৰ্ষত প্ৰভুৱে মোৰ সমস্ত চাহিদা পূৰণ কৰিব। এই বৰ্ষটি ঈশ্বৰৰ উত্তমতাৰ অনুভৱৰ বৰ্ষ হ'ব আৰু তেওঁ যি দিয়ে তাক লৈ আপুনি সন্তুষ্ট হৈ থাকিব। "... চকুৱে যি যি নেদেখিলে, কাণে যি যি নুশুনিলে, মনেও যি নাভাবিলে, সেই সকলো ঈশ্বৰক যি সকলে প্ৰেম কৰে, সেইসকলৰ বাবে তেওঁ যুগুত কৰিলে" — ১ কৰিন্থীয়া ২ঃ৯। এইদৰে এই বৰ্ষতো ঈশ্বৰে আমাক চলাব। আপোনাৰ আনন্দ লগা নাইনে? মোৰ অতি আনন্দ লাগিছে কিয়নো তেওঁ তেওঁৰ প্ৰতিশ্ৰুতি পূৰ্ণ কৰাত বিশ্বাসী।

## ঈশ্বৰৰ সততা!

ঈশ্বৰ, আমাৰ স্বৰ্গীয় পিতৃয়ে ইতিমধ্যে আমাক অনেক উত্তম বস্তুৰ সৈতে আশীৰ্বাদ কৰিছে। তথাপি, চয়তানে আমাৰ মনবোৰক বশ কৰি আমাৰ জ্ঞানক বিকৃত কৰিবলৈ চেষ্টা কৰে আৰু আমাৰ চাৰিওফালে থকা আশীৰ্বাদবোৰক উপেক্ষা কৰায়।

আহক আমি এদেন বাৰীৰ উদাহৰণটোক পৰীক্ষা কৰি চাওঁ। ঈশ্বৰে আদম আৰু হৱাক আশীৰ্বাদ কৰিলে। আদিপুস্তক ১ঃ২৬-২৮, ৩১ পদত কৈছে।

তাৰ পাছত ঈশ্বৰে ক'লে, "আমি নিজৰ প্ৰতিমূৰ্তিৰ দৰে আমাৰ সাদৃশ্যৰে মানুহ নিৰ্মাণ কৰোঁহক; তেওঁলোকে সমুদ্ৰৰ মাছ, আকাশৰ চৰাই, ঘৰচীয়া পশু, সমুদায় পৃথিৱীত বগাই ফুৰা প্ৰাণীৰ ওপৰত অধিকাৰ চলাওক (শাসন, ৰাজত্ব) ... পাছত ঈশ্বৰে তেওঁলোকক আশীৰ্বাদ কৰি ক'লে, "তোমালোক বহুবংশ হোৱা, বাঢ়ি বাঢ়ি পৃথিৱীখন পৰিপূৰ্ণ কৰা আৰু তাক বশীভূত কৰা ... পাছত ঈশ্বৰে নিজে নিৰ্মাণ কৰা সকলোকে চালে আৰু চাই অতি উত্তম পালে।

তাৰ উপৰিও, ঈশ্বৰে আদিপুস্তক ২ঃ১৭ পদত এটি আদেশ জাৰি কৰি ক'লে, কিন্তু ভাল বেয়া জ্ঞান দিওঁতা গছৰ ফল হ'লে নাখাবা কিয়নো যিদিনা তুমি তাক খাবা, সেই দিনাই অৱশ্যেই মৰিবা।

ঈশ্বৰে কৈছিল যে আমি সকলো বস্তুৰ ওপৰত অধিকাৰ চলাব লাগিব, কিন্তু আজিৰ দিনত এনে লাগে যেন সকলো বস্তুৱে আমাৰ ওপৰত অধিকাৰ চলাই আছে, লগতে আমাৰ ফোনবোৰক আৰু প্ৰযুক্তিগত বস্তুবোৰক অন্তৰ্ভুক্ত কৰিব পাৰি।

লক্ষ্য কৰক চয়তানে কিদৰে ঈশ্বৰৰ বাক্যক পকাই ক'লে ... দৰাচলতে তোমালোকৰ মৃত্যু নহয়। কিয়নো ঈশ্বৰে জানে যে, যিদিনাই তোমালোকে সেই গছৰ ফল খাবা, সেইদিনাই তোমালোকৰ চকু মুকলি হ'ব তাতে তোমালোকে ভাল-বেয়া জানোতা হৈ ঈশ্বৰৰ নিচিনা হ'বা। আদিপুস্তক ৩ঃ৪,৫।

ইয়াত আমি চয়তানৰ বাক্যত অসৎ উপায় বিচৰা দেখা পাইছো। আদম আৰু হৱাক প্ৰলোভন দেখুৱাবলৈ ক'লে, তোমালোক নমৰিবা। কিন্তু তাৰ পৰিৱৰ্তে ঈশ্বৰৰ নিচিনা হ'বা বুলি ক'লে। চয়তানে, সি দিব বিচৰা সুবিধাবোৰৰ বিষয়ে এনেদৰে কয় যেনিবা ঈশ্বৰে দিয়া সুযোগবিলাকতকৈ তাৰহে অধিক মহান আৰু শক্তিশালী হ'ব। তাৰ এই কৌশল কিয় পৰিচিত যেন লাগে? কিয়নো আনকি আজিও চয়তানে মানুহক ঈশ্বৰৰ পথৰ পৰা পথভ্ৰষ্ট কৰিবলৈ একে ধৰণৰ কৌশলক ব্যৱহাৰ কৰে। জাগতিক বস্তুবোৰক সি প্ৰভু যীচুৱে দিয়া বস্তুবোৰতকৈ অধিক উচ্চ, মহান আৰু শক্তিশালী বুলি কয়।

অৱশেষত, যেতিয়া আদম আৰু হৱাই চয়তানৰ বাক্যক গ্ৰহণ কৰিলে, তেওঁলোকে তেওঁলোকৰ জীৱনৰ আটাইতকৈ আৱশ্যক বস্তুক হেৰুৱালে।

তেতিয়া তেওঁলোক দুয়োজনৰ চকু মুকলি হ'ল কিন্তু তেওঁলোকে শান্তি আৰু আনন্দক হেৰুৱালে আৰু নিজকে লুকুৱালে (আদিপুস্তক ৩ঃ৭-১০)

... ঈশ্বৰ যিহোৱাই মাটিৰ পৰা নিৰ্মাণ কৰা মানুহক মাটিত খেতি কৰিবৰ বাবে এদেন বাৰীৰ পৰা বাহিৰ কৰি দিলে। আদিপুস্তক ৩ঃ২৩ তোমাৰ কাৰণে ভূমি অভিশপ্ত হৈছে। তুমি গোটেই জীৱনকালত কষ্টৰে পৰিশ্ৰম কৰি তাৰ পৰা খাবলৈ পাবা। ভূমিয়ে তোমালৈ কাঁইট আৰু কাঁইটীয়া বন উৎপন্ন কৰিব আৰু তুমি পথাৰৰ শস্য ভোজন

কৰিবা। মূৰৰ ঘাম পেলাই তুমি আহাৰ গ্ৰহণ কৰিব লাগিব। (আদিপুস্তক ৩ঃ১৭-১৯)

তেওঁলোকে ঈশ্বৰৰ উত্তমতাক হেৰুৱালে!! ঈশ্বৰৰ সৈতে থকা আনন্দক হেৰুৱালে।

আনন্দ হৈছে ঈশ্বৰৰ পোৱা মঙ্গলৰ এটি প্ৰমাণ (পাঁচনিকৰ্ম ১৪ঃ১৭)।

তেওঁ আপোনাক আকাশৰ পৰা বৰষুণ আৰু ঋতুৰ অনুপাতে শস্য দিয়াৰ দ্বাৰাই তেওঁৰ দয়া (মঙ্গল)ক দেখুৱাইছে। তেওঁ আপোনাক যথেষ্ট আহাৰ যোগায় আৰু আপোনাৰ হৃদয়ক আনন্দৰে পৰিপূৰ্ণ কৰে।

বহুতে আনন্দ আৰু সুখক লৈ খেলিমেলি হৈ থাকে। গতিকে মই ইয়াৰ পাৰ্থক্যক গৱেষণা কৰি পাইছোঃ

- আনন্দ এটি সৰু শব্দ। সুখ হৈছে এটি ডাঙৰ শব্দ।
- আনন্দ হৃদয়ত থাকে আৰু সুখ মুখত থাকে।
- আনন্দ আত্মাৰ হয়। সুখ মুহূৰ্তৰ বাবে।
- আনন্দ শ্ৰেষ্ঠ হয়। সুখ প্ৰতিক্ৰিয়া কৰে।
- আনন্দই শান্তি আৰু তৃপ্তি দিয়েআৰু আৱিস্কাৰ হোৱাৰ অপেক্ষা কৰে।
- আনন্দ গভীৰতালৈ যায় আৰু উপচি পৰে স্নেহশীলক আলিঙ্গন কৰে।
- আনন্দ হৈছে এটি অনুশীলন আৰু এটি অভ্যাস। এইটো ইচ্ছাকৃত আৰু পৰিকল্পিত। সুখে আনন্দৰ সৈতে তাৰ পথত ধৰি আহে আৰু যায়।
- আনন্দ গভীৰ আৰু শাস্ত্ৰীয়। "চিন্তা নকৰিব, আনন্দ কৰক।" সুখ হৈছে এটি মলম। চিন্তা নকৰিব সুখী হওক।
- আনন্দ হৈছে এটি আভ্যন্তৰীণ অনুভূতি। সুখ হৈছে এটি বাহ্যিক অভিব্যক্তি।
- আনন্দই কষ্ট আৰু পৰীক্ষাক সহ্য কৰে আৰু অৰ্থ আৰু উদ্দেশ্যক সংযোগ কৰে।

এজন মানুহে সুখক অনুসৰণ কৰে কিন্তু আনন্দক বাছি লয়।

শান্তি আৰু আনন্দ প্ৰায় সময়ত হাতে হাতে যায়, শান্তি আছে, তাত আনন্দ আছে আৰু যত আনন্দ আছে তাত শান্তি আছে। যমজ ভনীৰ দৰে। আনন্দ হৈছে ঈশ্বৰৰ উত্তমতাৰ এটা অংশ আৰু আমাৰ হৃদয়ক ইয়াৰে পৰিপূৰ্ণ কৰাৰ দ্বাৰাই ঈশ্বৰে আমাক তেওঁৰ আনন্দৰে সন্তুষ্ট কৰিবলৈ প্ৰতিশ্ৰুতি দিছে।

নহিমিয়া ৮ঃ১০ পদে কোৱাৰ দৰে, "যিহোৱাত যি আনন্দ সেয়ে তোমালোকৰ শক্তি।"

ঈশ্বৰৰ মঙ্গলৰ আমাক উপলব্ধিক বিকৃত কৰিবলৈ চেষ্টা কৰিছে, ঠিক যিদৰে হৱাৰ সৈতে কৰে। ঈশ্বৰে আমাক যিমান দিছে তাতোকৈ অধিক চয়তানে আমাক পৰীক্ষা কৰিবলৈ কামনা কৰে আৰু চলাই নিয়েঃ

## ১। অসন্তোষলৈ!

ঈশ্বৰে সিহঁতক সীমা অধিক দিয়া সত্বেও হৱাই সন্তোষ্ট হোৱা নাছিল। ঈশ্বৰৰ সততাৰ বিৰুদ্ধে অসন্তোষেই প্ৰথম শত্ৰু। যেতিয়া আমি নিজকে এইদৰে ক'বলগীয়াত পৰো, "মোৰ সেইটো থকা হ'লে ভাল আছিল" মই আৰু বিচাৰো "আমি প্ৰশংসা নকৰো আৰু ঈশ্বৰে আমাক যিমান দিছে তাত সন্তোষ্ট হৈ নাথাকো, কিন্তু যদি আমি তেনে কৰো তেন্তে আমি আনন্দক অনুভৱ কৰিম।

ৰোমীয়া ১৫ঃ১৩ পদত ঈশ্বৰে আমাক মনত পেলাই কয় যে এতেকে তোমালোকে যেন পৱিত্ৰ আত্মাৰ শক্তিৰে আশাত উপচি পৰিব পাৰে, তাৰ বাবে আশাৰ আকৰ ঈশ্বৰে তোমালোকক আৰু বিশ্বাস কৰাৰ সকলোকে আনন্দ আৰু শান্তিৰে পৰিপূৰ্ণ কৰক।

অসন্তোষে আমাৰ আনন্দক গুছাই দিয়ে যিটো ঈশ্বৰে আমালৈ কৰা প্ৰতিজ্ঞাৰ একেবাৰে বিপৰীত, তাৰ পৰিবৰ্তে আমি ঈশ্বৰৰ মঙ্গলৰ সৈতে সন্তোষ হ'বলৈ শিকিব লাগিব। আহক আমি ঈশ্বৰে যি যি আমাক দিছে তাতে সুখী হৈ থাকিবলৈ শিকো আৰু এই বৰ্ষ আৰম্ভণীতে সন্তোষ আৰু ধন্যবাদৰ আত্মাক নিৰ্মাণ কৰোহঁক।

## ২। দুখ!

আমাৰ আনন্দক গুচাই লৈ যাবলৈ আনটো ভ্ৰম চয়তানে সৃষ্টি কৰে এইটো হৈছে "দুখ" যেতিয়াই আমি কিবা পাবলৈ আশা কৰো তাত দুখ হ'বই।

আমি প্ৰায় সময়ত যেতিয়া কিবা পাবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰো, ঠিক সেইদৰে ঈশ্বৰে উত্তৰ

৬ পৃষ্ঠাত চাওঁক


**नहेम्याह बाइबल कॉलेज**
**रेसिडेन्शल कॉलेज, चेन्नई।**

50 ECHO OF HIS CALL 1969-2019 REACHING NATIONS

माध्यमः हिन्दी

सदस्यता के लिए पंजीकृत उम्मीदवार - ATA

Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL Estd. 1969

सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 54 वर्षों से सेवारत वरिष्ठ पासवान

Certificate in Ministry
Diploma in Theology

योग्यता 10 वी या अधिक
जल्दी करें!

Contact : The Chairman, Nehemiah Bible College.

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

✶ ऑनलाइन कक्षाएं उपलब्ध हैं ✶

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলেখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২৪ চনৰ ১৯ জানুৱাৰী পৰা ২০২৪ চনৰ ১৮ ফেব্ৰুৱাৰীলৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

**জানুৱাৰী ১৯ ঃ** আমাৰ কেন্দ্ৰ মণ্ডলীত আৰু শাখা মণ্ডলীসমূহত বৰদিন আৰু নৱবৰ্ষৰ কাৰ্যসূচী আয়োজন কৰাত আৰু ইয়াক অৰ্থপূৰ্ণভাৱে আৰু প্ৰভাৱশালীভাৱে পালন কৰাত সমৰ্থ কৰাৰ বাবে।

**জানুৱাৰী ২০ ঃ** আমাৰ প্ৰাৰ্থনা অংশীদাৰ, প্ৰকাশ অংশীদাৰ, বিশ্বাস অংশীদাৰ, জীৱন অংশীদাৰ আৰু মহান আজ্ঞা অংশীদাৰসকলৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গক তেওঁৰ দয়াৰ বাবে।

**জানুৱাৰী ২১ ঃ** আমাৰ কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলীসমূহ পালকসকলক আৰু জ্যেষ্ঠ চলাওঁতাসকলক আশীৰ্বাদ কৰাৰ বাবে।

**জানুৱাৰী ২২ ঃ** আমাৰ যুব আৰু শিশু যত্ন পৰিচৰ্যাৰ বাবে বিশ্বব্যাপী দৃষ্টিৰ ওপৰত আশীৰ্বাদৰ বাবে।

**জানুৱাৰী ২৩ ঃ** শুভবাৰ্তা নোপোৱা লোকসকলৰ বাবে আমাৰ ৫ মিনিটৰ ইউ টিউব পৰিচৰ্যাৰ ওপৰত আশীৰ্বাদ থকাৰ বাবে।

**জানুৱাৰী ২৪ ঃ** চেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু থিয়ল'জিকেল যোগাযোগ পাঠ্যক্ৰমৰ সকলো ক্ৰিয়াকলাপবিলাকৰ বাবে।

**জানুৱাৰী ২৫ ঃ** ১৬ টা ভাষাত আলোচনী আমাৰ প্ৰিণ্টিং প্ৰেছত ছপা কৰি মিশ্বন ফিল্ডলৈ পঠোৱাত তেওঁৰ আশীৰ্বাদৰ বাবে।

**জানুৱাৰী ২৬ ঃ** আগৰ মাহত আমাৰ সকলো আৰ্থিক আৰু আত্মিক প্ৰয়োজনবিলাকক যোগোৱাৰ বাবে।

**জানুৱাৰী ২৭ ঃ** আমাৰ ফিল্ড পৰিচাৰকসকলক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক আশীৰ্বাদ কৰাৰ বাবে।

**জানুৱাৰী ২৮ ঃ** বিভিন্ন পৰিচৰ্যাৰ মাধ্যমেৰে শুভবাৰ্তা বিস্তাৰ কৰিবলৈ আমাৰ জ্যেষ্ঠ পালক আৰু তেওঁৰ অংগীকাৰৰ বাবে।

**জানুৱাৰী ২৯ ঃ** আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ সুস্বাস্থ্য আৰু স্বৰ্গীয় নিৰাপত্তাৰ ওপৰত আশীৰ্বাদৰ বাবে।

**জানুৱাৰী ৩০ ঃ** আমাৰ ২০২৪ মাহেকীয়া কেলেণ্ডাৰ প্ৰিণ্টিং প্ৰেছত ছপা কৰি পঠোৱা কাৰ্য সম্পূৰ্ণ কৰাত আমাক অনুগ্ৰহ দিয়াৰ বাবে।

**জানুৱাৰী ৩১ ঃ** আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু পৰিয়ালবৰ্গক সকলো মন্দ শক্তিৰ পৰা ৰক্ষা কৰাৰ বাবে।

**ফেব্ৰুৱাৰী ১ ঃ** আমাৰ অংশীদাৰসকলে প্ৰাৰ্থনাৰে আৰু আৰ্থিক সহায়েৰে আশীৰ্বাদ কৰাৰ বাবে।

**ফেব্ৰুৱাৰী ২ ঃ** আমাৰ সকলো সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক আশীৰ্বাদ কৰাৰ বাবে।

**ফেব্ৰুৱাৰী ৩ ঃ** আমাৰ কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলীত আমাৰ দেওবৰীয়া উপাসনাসমূহত ঈশ্বৰৰ বাক্যৰ শক্তিৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

**ফেব্ৰুৱাৰী ৪ ঃ** সকলো খ্ৰীষ্টিয়ান অনুষ্ঠান আৰু মণ্ডলীবিলাকত আশীৰ্বাদ আৰু নিৰাপত্তাৰ বাবে।

**ফেব্ৰুৱাৰী ৫ ঃ** আমাৰ কাৰ্যালয়ৰ কৰ্মচাৰী আৰু প্ৰিণ্টিং প্ৰেছৰ কৰ্মচাৰীসকলৰ সুস্বাস্থ্যৰ বাবে।

**ফেব্ৰুৱাৰী ৬ ঃ** আমাৰ সন্ধ্যা আৰু নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ নিৰাপত্তাৰ বাবে।

**ফেব্ৰুৱাৰী ৭ ঃ** ঈখ অফ হীজ কল ইউ টিউব চেনেলৰ অতিৰিক্ত ভাষাত পালক চাম ছেলভা ৰাজৰ বাৰ্তা সম্প্ৰচাৰৰ বাবে।

**ফেব্ৰুৱাৰী ৮ ঃ** আমাৰ নহিমিয়া বাইবেল কলেজৰ বাবে আমাৰ সহকৰ্মীসকলে শিক্ষা দিয়াত আৰু পাঠ্যক্ৰম বিষয়বস্তুবোৰক অনুবাদ কাৰ্য লিপ্ত হৈ আছে।

**ফেব্ৰুৱাৰী ৯ ঃ** ইস্ৰায়েল, পলিষ্টিয়া, ৰাচিয়া আৰু ইউক্ৰেইনত শান্তি ঘুৰি আহিবৰ বাবে।

**ফেব্ৰুৱাৰী ১০ ঃ** কহা চফ্টৱেৰত নহিমিয়া বাইবেল কলেজৰ পুস্তকসমূহ আপডেট কৰিবৰ বাবে।

**ফেব্ৰুৱাৰী ১১ ঃ** আমাৰ জেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ আটাই পৰিয়ালবৰ্গক ঈশ্বৰে সকলো মন্দ শক্তিৰ পৰা ৰক্ষা কৰিবৰ বাবে।

**ফেব্ৰুৱাৰী ১২ ঃ** পৃথিৱীত আৰ্থিক মন্দতাৰ অন্ত পৰিবৰ বাবে।

**ফেব্ৰুৱাৰী ১৩ ঃ** মিশ্বনেৰী আৰু ঈশ্বৰৰ দাসসকলৰ প্ৰতি হিংসা বন্ধ হ'বৰ বাবে।

**ফেব্ৰুৱাৰী ১৪ ঃ** পৃথিৱীৰ আটাই মহিলাসকল আৰু শিশুসকলৰ নিৰাপত্তাৰ বাবে।

**ফেব্ৰুৱাৰী ১৫ ঃ** আমাৰ জেষ্ঠ পালকে তেওঁৰ আত্মজীৱনী লিখাত কৃতকাৰ্য হ'বৰ বাবে।

**ফেব্ৰুৱাৰী ১৬ ঃ** তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহ আৰু যুৱসকলৰ বাবে প্ৰাৰ্থনা কৰক।

**ফেব্ৰুৱাৰী ১৭ ঃ** এই বৰ্ষত তেওঁৰ আহবানৰ প্ৰতিধ্বনি উপযুক্ত পুঁজি পাবৰ বাবে।

**ফেব্ৰুৱাৰী ১৮ ঃ** আটাই দেশসমূহৰ পৰা কৰনা ভাইৰাচ আৰু নতুন ৰোগবোৰ গুছি যাবৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

দিয়াটো আমি বিচাৰো। যেতিয়া আমাৰ ইচ্ছামতে নহয়, আমি দুখ পাওঁ আৰু নিৰাশ হওঁ। যি যি সমস্যাবোৰৰ আৰু প্ৰত্যাহবানবোৰৰ সন্মুখীন হওঁ মনটোক আৰু তললৈ নমাই আনে আৰু তেতিয়া আমি দুখ অনুভৱ কৰো। উদাহৰণস্বৰূপে, আমি এটা চাকৰি বা পদোন্নতিৰ বাবে আশা কৰিছিলো, কিন্তু যেতিয়া তাক পোৱাৰ পাছতো আমি উপলব্ধি কৰো যে ইয়াত অনেক প্ৰত্যাহবান আৰু কঠিন চাপ আহি আছে। হ'ব পাৰে কামৰ বোজা বহুত বাঢ়ি গৈছে আৰু আপুনি আশা কৰামতে আপোনাক সন্তোষ দিয়া নাই, যেনে — "মই ভাবিছিলো কামটো এইদৰে হ'ব লাগিছিল" বা "মই আশা কৰামতে কামটো হোৱা নাই"।

চাপপূৰ্ণ পৰিস্থিতি অপূৰ্ণ প্ৰত্যাশা হ'ব পাৰে, ইয়াক উপলব্ধি নকৰাকৈয়ে আমি শোক আৰু অভিযোগ কৰো। এই প্ৰক্ৰিয়াত আমি আনন্দ আৰু শান্তিক হেৰুৱাওঁ, আৰু মোৰ বন্ধু, মই আপোনাক কওঁ যে, ইয়াক ঈশ্বৰে সহ্য কৰিব নোৱাৰে।



তেওঁবিলাকে অভিযোগ কৰিলে

প্ৰত্যাহবানবিলাক আৰু আপোনাৰ পথত বিকল্প আনি দিয়ে। যেতিয়া তেওঁলোকে তিনিদিন পানী বিচাৰি নাপালে, তেওঁলোকে প্ৰত্যাহবানৰ সন্মুখীন হৈছিল (যাত্ৰাপুস্তক ১৫ঃ২২) আৰু তেতিয়া তেওঁলোকে অভিযোগ কৰিবলৈ আৰম্ভ কৰি দিলে। তেওঁলোকে ঈশ্বৰৰ মঙ্গলক পাহৰি গ'ল আৰু যাৰ দ্বাৰাই তেওঁলোকে বান্ধোনৰ পৰা অভিশাপ আৰু দাসত্বৰ পৰা উদ্ধাৰ পাইছিল আৰু স্বাধীন হৈছিল। এইটো দুৰ্ভাগ্যজনক যে আমি ঈশ্বৰৰ মঙ্গলক ইমান সহজে পাহৰি যাব পাৰো আৰু এটি ছুটি স্মৃতি ৰাখো।


তেওঁলোকে অভিযোগ কৰিবলৈ আৰম্ভ কৰিছিল (যাত্ৰাপুস্তক ১৫ঃ২৪)। কিমান বাৰ আমি ঈশ্বৰৰ মঙ্গলক পাহৰি অভিযোগ কৰিছিলো।



সত্তৰজোপা খাজুৰ গছৰ সৈতে বাৰটা জলৰ ভুমুক

কেৱল তিনিদিনৰ বাবে তেওঁলোকে পানী নোপোৱাৰ বাবে আৰু তেওঁলোকৰ আশা পূৰ্ণ নোহোৱাত মনত দুখ পাইছিল। দুখে আমাৰ আনন্দ আৰু শান্তিক দূৰ কৰি নিয়ে।

কিন্তু ঈশ্বৰৰ পথবোৰ আমাৰ চিন্তাধাৰাতকৈ ডাঙৰ। তেওঁলোকৰ অভিযোগৰ সত্বেও ঈশ্বৰে তেওঁলোকৰ বাবে কেৱল এটা পানীৰ ভুমুক নিৰ্মাণ কৰা নহয় কিন্তু বাৰটা ভুমুক নিৰ্মাণ কৰিলে (যাত্ৰাপুস্তক ১৫ঃ২৭)। মই ভাবো প্ৰতিটো জাতিৰ বাবে এটা এটাকৈ দিলে। তেওঁলোকৰ মাজত বিবাদ সৃষ্টিৰ সম্ভৱনতাক দেখি ঈশ্বৰে তেওঁলোকলৈ প্ৰচুৰ পৰিমাণে যোগায় দিছিল যাতে তেওঁলোকে পানীৰ কাষত তম্বু তৰিব পাৰিব।



মেঘ আৰু অগ্নিৰ এটা স্তম্ভ

যেতিয়া ইস্ৰায়েল লোকবিলাকে মিচৰ এৰি গুছি আহিছিল তেতিয়া তেওঁলোকে ইয়াৰ অভিজ্ঞতা পাইছিল। ৪০ বছৰ ধৰি ঈশ্বৰলৈ ক্ৰন্দন কৰাৰ পাছত তেওঁলোকে দিনে-ৰাতিয়ে যাত্ৰা কৰিবলৈ যিহোৱাই দিনত তেওঁলোকৰ আগে আগে গৈছিল (যাত্ৰাপুস্তক ১৩ঃ২১)। তেওঁলোক আনন্দেৰে পৰিপূৰ্ণ হৈছিল আৰু এটা সম্পূৰ্ণ অধ্যায় (১৫ অধ্যায়) ঈশ্বৰক আৰাধনা কৰিবলৈ উৎসৰ্গিত কৰিলে। তেওঁলোকে নাচিলে, গীত গালে, আনন্দ কৰিলে আৰু পালন কৰিলে।

মনত ৰাখিব, যেতিয়া আপুনি ঈশ্বৰৰ ওচৰলৈ আহে, তেতিয়া চয়তানে আপোনাৰ পথত

*....Contd. to page 8*


## নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়
চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

ECHO OF HIS CALL 1969-2019 REACHING NATIONS

মাধ্যম ঃ তামিল

Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL Estd. 1969

যোৱা ৫৪ বছৰ ধৰি আন্তৰাষ্ট্ৰীয়

খ্ৰীষ্টিয়ান চলাওঁতাসকল আৰু জ্যেষ্ঠ পালকসকলৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA লৈ

**Certificate in Ministry**

**Diploma in Theology**

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক

নামভৰ্তিৰ বাবে সোনকাল কৰক!

**Contact : The Chairman, Nehemiah Bible College.**

10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.

Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858

E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## PLEASE PRAY FOR OUR MINISTRIES AT THE HEAD QUARTERS

1. Prayer Service : 24 hours
2. **BIBLECOR** - Bible Correspondence Courses : English, Tamil & Hindi
3. **ECHO OF HIS CALL** - Monthly Magazines : English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan.
4. Nehemiah Bible Colleges (Three Centres) (Evening / Residential)
5. Theological Correspondence Courses: English & Tamil
6. Great Commission Partners (Network of Pastors)
7. Training Programmes
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools : 8.30 a.m. & 4.00 p.m. Sunday
13. **Tamil Services : 8.00 a.m. & 10.00 a.m. Sunday**
14. **Hindi Service : 4.00 p.m. Sunday**
15. **Telugu Service : 5.00 p.m. Sunday**
16. **English & Tamil Service : 6.00 p.m. Sunday**
17. Women's Prayer : 5.30 p.m. Wednesday
18. Men's Prayer : 7.00 p.m. Friday
19. Discipleship Meeting : 6.00 p.m. Saturday
20. House Meetings : 6.30 p.m. Tuesday & Thursday
21. Special Holy Communion : 6.00 a.m. 1st day of each month
22. Ministers Review Meeting : 5.30 p.m. First Saturday
23. Parents' Prayer : 4.00 p.m. First Sunday
24. Night Prayer : 9.30 p.m. Second Friday
25. Fasting Prayer : 9:30 a.m. Third Saturday
26. Holy Communion : Second Sunday Services
27. Youth / Kid Prayer : 10.00 p.m. daily
28. Staff Devotion : 9.00 a.m. daily
29. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।


| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫



## চেন্নাই লাইট হাউচ !
## CHENNAI LIGHT HOUSE!

***আপোনাৰ জীৱনৰ অন্ধকাৰ শীঘ্ৰেই উজ্জ্বলতাত ৰূপান্তৰিত হ'ব!***

বহুত বছৰৰ আগতে মই পৰিচৰ্যাত ব্যাপকভাৱে বিভিন্ন দুখৰ দ্বাৰাই প্ৰভাৱিত হৈছিলো। সেই সময়ত, মোৰ মনত বহুত প্ৰশ্নৰ উৎপন্ন হৈছিল। মই ভাবিছিলো মই এই পৃথিৱীৰ যিকোনো মানুহৰ দৰে বাস কৰিব পাৰিম আৰু মই প্ৰভুৰ পৰিচৰ্যাত লিপ্ত হ'ব নালাগিছিল। মই যদি তেনে কৰিলোহেঁতেন, যিবিলাকে মোৰ জীৱনত সমস্যা সৃষ্টি কৰিছিল তেওঁবিলাকৰ বিৰুদ্ধে মোৰ নিজৰ উপায়েৰে আৰু মোৰ নিজৰ শক্তিৰে প্ৰতিশোধ ল'লোহেঁতেন। তাৰোপৰি মই মোৰ আৰ্থিক সমস্যা সমাধানৰ বাবে মোৰ নিজ উপায় বিচাৰিলোহেঁতেন। মই ভাবিছিলো প্ৰভুৰ দাস হোৱাটো মোৰ নিজৰ ইচ্ছা হয় নে নহয় বা এইটো সঁচাকৈয়ে মোৰ জীৱনত প্ৰভুৰ আহবান আছে নে নাই।

মনতে এইদৰে ভাবি ভাবি, মেৰিনা বিচত থকা চেন্নাই লাইট হাউচৰ কাষত, ১৯৭৬ চনত এটা নিশাত প্ৰায় ১০ টা বজাত আঁঠু লৈ প্ৰাৰ্থনাৰে যুঁজ কৰি আছিলো। মোৰ সেই কষ্টৰ দিনত মোক সহায় কৰিবলৈ কোনো নাছিল। প্ৰত্যেকেই মোক ত্যাগ কৰিছিল। মোৰ চকুযোৰ লাইট হাউচৰ পিনে চাই থাকিল। লাইটটিক এটি নিৰ্দিষ্ট গতিত ঘুৰাবলৈ বনোৱা হৈছিল যাতে পানী জাহাজবোৰক সাগৰৰ পাৰৰ দিশত পৰিচালিত কৰিব পৰা যাব। যেতিয়া মই ঘুৰি থকা লাইটকেইটাক চাই আছিলো, মই লক্ষ্য কৰিলো যে লাইটটোৰে প্ৰায় ১৫ চেকেণ্ড ধৰি বেছি উজ্জ্বল হৈ যায় আৰু প্ৰায় ১০ চেকেণ্ডৰ বাবে পোহৰটো কমি কমি আন্ধাৰ হৈ যায়।



মই পোহৰৰ আৰু আন্ধাৰৰ এই বিকল্প নিয়মটি পৰ্যাবেক্ষণ কৰি থকা সময়ত, মই এটি নতুন দৃষ্টিভংগী অৰ্জন কৰিলো আৰু উৎসাহিত বোধ কৰিলো। তেতিয়া ঈশ্বৰৰ পৰা এটি স্পষ্ট বাৰ্তা পালো যে "তোমাৰ জীৱনত থকা অন্ধকাৰটো অতি সোনকালে পোহৰলৈ ৰূপান্তৰিত হৈ যাব।"

প্ৰিয় পঢ়ুৱৈ, আপুনি নিজকে এটা ডাঙৰ বিপদত পৰা যেন দেখিছেনে বা বিষম দুখত পৰা দেখিছেনে? নিৰুৎসাহ নহ'ব! পোহৰ আৰু আন্ধাৰ আহিব আৰু যাব, কিন্তু প্ৰভু যীচু খ্ৰীষ্টই গোটেই সময়ত থিৰে ৰৈ থাকে। তেওঁ যোৱা কালি, আজি আৰু সদাকাললৈকে একেই হৈ থাকে। আমাৰ পূৰ্বপিতৃ অব্ৰাহাম, ইচাহাক, আৰু যাকোবৰ ঈশ্বৰে আপোনাৰ হাত ধৰি ৰাখিব, নিৰাপত্তা দিব আৰু ৰক্ষা কৰিব।

কেৱল তেওঁত বিশ্বাস কৰক!!

*******

....Contd. from page 6

যদি আমি বাইবেলত দেখো, আমি দেখো যে ঈশ্বৰৰ সকলো মহান লোকসকলে দুখ-শোকৰ মাজেদি যাব লগীয়া হৈছিল। অব্ৰাহাম, নোহ, যাকোব, চামূৱেল, এলী, হান্না, যিৰিমীয়া, দায়ুদ, ইয়োব, নহিমিয়া, পিতৰ, পৌল আৰু ঈশ্বৰৰ ৰাজ্যত অনেক শক্তিশালী লোকে দুখ আৰু ভগ্নতাৰ অভিজ্ঞতা পাইছিল। এই পৰীক্ষাবিলাকৰ দ্বাৰাই তেওঁলোকৰ বিশ্বাসক পৰীক্ষিত কৰা হৈছিল আৰু শুদ্ধ কৰা হৈছিল আৰু অৱশেষত তেওঁলোক বৃদ্ধি হ'ল আৰু ঈশ্বৰৰ ওপৰত এটা গভীৰ নিৰ্ভৰতা বাঢ়ি গ'ল, কিন্তু তেওঁলোকৰ দুখৰ মাজতো, ঈশ্বৰে তেওঁৰ পৰিকল্পনাক সিদ্ধ কৰিলে। এই বৰ্ষত আপোনাৰ জীৱনতো তেওঁ একেদৰে কৰিব পাৰে। ঈশ্বৰৰ হাতত পৰিকল্পনা আছে আৰু আপোনাৰ নিৰাশ আৰু ভগ্নতাৰ মাজতো তেওঁ পৰিপূৰ্ণ কৰিব। আজি আপুনি দুখ অনুভৱ কৰিছেনে? আপুনি ভগ্ন অনুভৱ কৰিছেনে? সকলো নিশ্চিত হৈ আছে, ঈশ্বৰে পৰ্দাৰ আঁৰত থাকি কাৰ্য কৰি আছে। আশা নেহেৰুৱাব। তেওঁ তেওঁৰ হাতৰ মুঠিত আপোনাক ধৰি ৰাখিছে আৰু আপোনাক পাহৰি নাযাব। আপোনাৰ জীৱনত তেওঁ যি আৰম্ভ কৰিছে তাক তেওঁ সম্পূৰ্ণ কৰিব।

### ৩। নিৰুৎসাহ!

ঈশ্বৰৰ মঙ্গলৰ পৰা চয়তানে আমাৰ জীৱনৰ পৰা চুৰ কৰি নিয়া তৃতীয়টো অস্ত্ৰ হৈছে নিৰুৎসাহ।

মাৰ্থা আৰু মৰিয়মে যীচুলৈ কৰা অভিযোগৰ কাহিনীত আমি এটা উদাহৰণ দেখিবলৈ



**মৰিয়াম আৰু মাৰ্থাই যীচু খ্ৰীষ্টক অভিযোগ কৰিছে!**

পাওঁ, ... হে প্ৰভু, আপুনি ইয়াত থকা হ'লে, মোৰ ভাই নমৰিলেহেঁতেন। (যোহন ১১ঃ৩২)

কেতিয়াবা, ঈশ্বৰে আমাক ক্ষতি অনুভৱ কৰাৰ অভিজ্ঞতা দিয়ে, যেনে প্ৰিয়জনক হেৰুৱা। আমাৰ কিছুমানে অতীতত এইদৰে সন্মুখীন হৈছে আৰু এইটো আচৰিতজনক নিৰুৎসাহ হ'ব পাৰে। আমি প্ৰশ্ন কৰো, কিয় ঈশ্বৰে ইয়াত হস্তক্ষেপ কৰিলে। কিয় তেওঁ আমাৰ প্ৰাৰ্থনাৰ উত্তৰ নিদিলে। যি কি নহওক, বাইবেলে আমাক মনত পেলাই দিয়ে যে যীচুৱে ক্ৰন্দন কৰিলে। যোহন ১১ঃ৩৫। আমাৰ এজন মহাপুৰোহিত আছে যিজনে আমাৰ বেদনা, চকুলো আৰু ভগ্নতাক জানে। কিয়নো আমাৰ মহাপুৰোহিত এনেকুৱা নহয় যে, তেওঁ আমাৰ দুৰ্বলতাত আমাৰ লগত দুখ উপলব্ধি কৰিব নোৱাৰে, কাৰণ তেওঁ পাপ নকৰাকৈ সকলো বিষয়ত আমাৰ দৰে হৈছিল। (ইব্ৰী ৪ঃ১৫)।

যেতিয়া আপুনি কান্দে যীচুৱেও কান্দে, তেঁৱো একেধৰণে দুখ অনুভৱ কৰে আৰু তেওঁ আপোনাৰ পৰীক্ষাৰ মাজত আছে কিয়নো তেওঁ জানে, এইটোৱেই বিশ্বাস উৎপন্ন কৰে। গতিকে নিৰুৎসাহ নহ'ব। ঈশ্বৰে বৈথনিয়ালৈ ঘুৰি যাবলৈ পলম কৰিছিল কিয়নো তেওঁ আমাৰ বিশ্বাসক শক্তি যোগাবলৈ বিচাৰিছিল আৰু দেখুৱাইছিল যে তেওঁ আমাৰ জীৱনৰ লেখক হয়। তেওঁ ক'লে, ... ময়েই পুনৰুত্থান আৰু জীৱনো... যোহন ১১ঃ২৫। এই সত্যক দেখুৱাবলৈ কোনোবা মৰিব লাগিব - এজন ভাই, এজন বন্ধু, এজন পুত্ৰ, এজন স্বামী, এজন পিতৃ যাতে তেওঁ আমাক ধৈৰ্যৰ বিষয়ে শিক্ষা দিব পাৰিব।

বাইবেলে আমাক "আপোনালোকে যেতিয়া নানা বিধ পৰীক্ষাত পৰে, তেতিয়া সেই বিষয়ক অতি আনন্দৰ বিষয় বুলি মানিব, কিয়নো আপোনালোকৰ বিশ্বাসৰ পৰীক্ষাই যে সহন ক্ষমতা জন্মায়, সেই বিষয়ে আপোনালোকে জানে।" (যাকোব ১ঃ২-৩)। গতিকে আমি আমাৰ বিশ্বাসক ত্যাগ নকৰো। আমি ত্যাগ কৰা লোক নহওঁ।

যোৱা বৰ্ষত আপুনি যি যি ত্যাগ কৰিছিল, সেইবোৰক এই বৰ্ষত পুনৰ আৰম্ভ কৰিবলৈ ঈশ্বৰে আপোনাক সমৰ্থ কৰক। এই বৰ্ষটি পুনৰ নিৰ্মাণ কৰা বৰ্ষ হওক, য'ত আপুনি কাৰ্যসমূহ সম্পূৰ্ণ হোৱা দেখিব আৰু আধৰুৱা নহ'ব।

ঈশ্বৰে আপোনাৰ পৰীক্ষাবিলাকৰ, পৰাজয়, লাজ আৰু ব্যৰ্থতাবিলাকৰ মাজতো আপোনাৰ সৈতে থিয় দি আছে। আপুনি জুইৰ মাজেদি গমন কৰাৰ সময়ত তেৱেঁই সেই চতুৰ্থজন ব্যক্তি। এইটোৱেই সেই বছৰ য'ত আপুনি সহনশীলতাৰ ফল দেখিবলৈ পাব।

গতিকে, প্ৰিয় ভাই আৰু ভনীসকল, যেতিয়া আপুনি পৰীক্ষাবোৰৰ আৰু নিৰুৎসাহবোৰৰ সন্মুখীন হয়, যেতিয়া দুখে আপোনাৰ শান্তি আৰু আনন্দক আঁতৰাই লৈ যায় আৰু যেতিয়া কাৰ্যবিলাক আপুনি পৰিকল্পনা কৰামতে নহয়, তেতিয়া অতি আনন্দৰ বিষয় বুলি গণ্য কৰিবলৈ মনত ৰাখিব। বাইবেলে ইয়াকে আমাক শিক্ষা দিয়ে। আমাৰ এজন মহাপুৰোহিত আছে যিজনে এই সকলো দুখৰ সময়ত আমাৰ লগত চলে। জুইৰ শিখাৰ মাজত মোৰ কাষত, আপোনাৰ কাষত সেইজনে থিয় হৈ থাকে। এই সকলো বিষয়বিলাকৰ মাজতো ঈশ্বৰৰ মঙ্গলে শান্তি আৰু আনন্দ দিয়ে কিয়নো তেওঁৱেই শান্তিৰ ৰজা।

আপুনি অকলশৰীয়া নহয় আৰু আপুনি অকলে ইয়াৰ সন্মুখীন হ'ব নালাগে।

পৰিত্যাগ কৰিব, যত্নশীল হওক আৰু আপুনি য'ৰ পৰা পৰিছিল তাৰ পৰা উঠি আহক।

চয়তানে আপোনাক মিছা কথা কয়, কিন্তু নুশুনিব। ঈশ্বৰে জানে আৰু তেওঁ অনুমতি দিয়ে।

❖❖❖❖❖


## URGENT NEED

**VICE PRINCIPAL & TEACHERS for**

**ST. PAUL'S MATRICULATION SCHOOL,**
**An *Echo of His Call* Institution**
**Vijayanagaram, Medavakkam, Chennai - 100.**

We need well qualified, experienced, dedicated, hard working and mission oriented Christians.
Apply with Bio-data to
E.mail: sam@echoofhiscall.org
WhatsApp: (+91) 98412 71858

## WANTED for

**NEHEMIAH BIBLE COLLEGE of ECHO OF HIS CALL, Chennai (ATA Candidate)**

1. **DEAN (Residential):** Hindi Theologian with M.Div. / M.Th. Degree & experience.
2. **VICE-PRINCIPAL:** English / Tamil / Hindi Theologian with M.Div. / M.Th. & experience.
3. **CO-ORDINATOR:** With Computer / Typing knowledge in English, Tamil & Hindi.

Eligible candidates may send bio--data to:
E.mail: sam@echoofhiscall.org
WhatsApp: (+91) 98410 71858

## জৰুৰী

আমাৰ নহিমিয়া বাইবেল কলেজৰ বাবে হিন্দী ভাষাত ১০০০ খন খ্ৰীষ্টিয়ান পুস্তকৰ প্ৰয়োজন হৈছে। অনুগ্ৰহ কৰি এই থিয়'ল'জি সম্বন্ধীয় পুস্তকবোৰ পোৱাৰ সম্ভাৱনা থাকিলে আমাক জনাওক।

- Pr. S. Sam Selva Raj, Editor
+91-98412 71858

## লাইবেৰী পুস্তকৰ প্ৰয়োজন

আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন আৰু নহিমিয়া বাইবেল কলেজৰ বাবে আমাৰ লাইবেৰীত তামিল, ইংৰাজী আৰু হিন্দী ভাষাত থকা পুস্তকৰ প্ৰয়োজন হৈছে। যদি আপোনাৰ হাতত লগত নতুন বা পুৰণি পুস্তক ভাল অৱস্থাত আছে আৰু যদি আপুনি এইবোৰক আমালৈ দান কৰিব বিচাৰে তেন্তে অনুগ্ৰহ কৰি আমাৰ সৈতে যোগাযোগ কৰক।

- Pr. S. Sam Selva Raj, Editor
+91-98412 71858

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## Echo of His Call

### ইউ টিউব

**অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক**

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

- সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **S. Sam Selva Raj** |
| A/C No. | : | **1023 2934 679** |
| IFSC | : | **SBIN 00 00 249** |
| SWIFT CODE | : | **SBI NIN BB 455** |

### *2. Bank : ICICI Bank*

| | | |
|---|---|---|
| Branch | : | **Anna Salai, Chennai-6** |
| Name | : | **Echo of His Call** |
| A/C No. | : | **6038 0502 2319** |
| IFSC | : | **ICIC 000 6038** |

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **Echo of His Call Educational Trust** |
| A/C No. | : | **1023 2923 805** |
| IFSC | : | **SBIN 00 00 249** |

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা    জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/24-26
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th JANUARY 2024
If un-delivered please return to:
**ECHO OF HIS CALL (ASSAMESE)**
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers**, New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**